# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে আৰু ৰাজ্যখনৰ ৰেল যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ  বিষয়ে আলোচনা কৰে। সংসদ ভৱনত অনুষ্ঠিত এই সাক্ষাৎকালত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যত ৰেল নেটৱৰ্কৰ উন্নয়নৰ বিষয়ে বিশদভাৱে আলোচনা কৰে আৰু ৰাজ্যখনক দেশৰ গুৰুত্বপূৰ্ণ বিকাশ  কেন্দ্ৰসমূহৰ সৈতে সংযুক্ত কৰাৰ বাবে নতুন ৰেল প্ৰৱৰ্তন কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে এডভানটেজ আচাম ২০২৫ বিনিয়োগ শীৰ্ষ সন্মিলনত অংশ লবলৈ ৰেলমন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়।

মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলৰ সৈতেও এডভানটেজ আচাম ২০২৫ বিনিয়োগ শীৰ্ষ সন্মিলনৰ  বিষয়ে আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সম্ভাব্য বিনিয়োগকাৰী আৰু সংশ্লিষ্ট অন্য পক্ষসমূহক এই শীৰ্ষ সন্মিলনৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সহায়-সহযোগিতা কামনা কৰে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে ৰূপায়ণ কৰিবলৈ লোৱা গুৱাহাটী ৰিং ৰোড, কাজিৰঙা এলিভেটেড কৰিড'ৰ আৰু গহপুৰ-নুমলীগড়ৰ পানীৰ তলৰ সুৰঙ্গ পথ নিৰ্মাণৰ বাবে শীঘ্ৰেই ভূমি অধিগ্ৰহণ আৰু অন্যান্য প্ৰস্তুতিমূলক কাম সম্পূৰ্ণ কৰা হ'ব। আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। ৰাজ্যখনত অগ্ৰাধিকাৰযুক্ত আন্তঃগাঁথনি প্ৰকল্পসমূহ সময় মতে সম্পূৰ্ণকৰণ নিশ্চিত কৰাৰ বাবে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে আগবঢ়োৱা সমৰ্থনৰ প্ৰতি মুখ্যমন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। সামাজিক মাধ্যমত এই সম্পৰ্কত বক্তব্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয় যে ৰাজ্য চৰকাৰে পূৰ্বে জনোৱা মতামতক মান্যতা প্ৰদান কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট-ডিব্ৰুগড় সম্প্ৰসাৰিত অংশৰ কামৰ গতি এতিয়া ক্ষীপ্ৰ কৰা হৈছে। তদুপৰি বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ ঘাইপথৰ দ্বৈত পথ নিৰ্মাণৰ কাম-কাজৰ অগ্ৰগতি হোৱা বুলিও তেওঁ উল্লেখ কৰে। আজিৰ বৈঠকত ৰাজ্যত চলি থকা ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ প্ৰকল্পসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়।

ইফালে, মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে আন এক আলোচনাত মিলিত হয়। এই আলোচনাত উত্তৰ-পূব বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত অষ্টলক্ষ্মী মহোৎসৱ আৰু ৰাজ্যত চলিত উন্নয়নমূলক প্ৰকল্পৰ সৈতে সম্পৰ্কিত বিষয় সন্দৰ্ভত আলোচনা কৰে। আলোচনা কালত মন্ত্ৰীগৰাকীক অহা ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলনলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয়

মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাকো সাক্ষাৎ কৰে। এই সাক্ষাৎ কালত স্বাস্থ্য সেৱা খণ্ডক সমৰ্থন কৰাৰ বাবে পি এম জে এ ওৱাই, আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু অন্যান্য কেন্দ্ৰীয় আঁচনি ৰূপায়ণত অসমে আগবঢ়োৱা অগ্ৰগতিৰ বিষয়েও অৱগত কৰে। লগতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়।

০০০০০

প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়।  অসমতো আজি ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰি ভাষণ দিয়ে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে দিব্যাংগসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। পৃথিৱীৰ ১৬ শতাংশ ব্যক্তি দিব্যাংগ আৰু অসমৰো কেইবা হাজাৰো লোক দিব্যাংগ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকক একেলগে সামৰি লৈ সমাজৰ বাবে কাম কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰি আহিছে।

আন্তৰ্জাতিক দিব্যাংগ দিৱসৰ লগত সংগতি ৰাখি হংস ফাউণ্ডেছনে আজি ৰঙিয়াত আলোচনাচক্ৰ, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰে। হংস ফাউণ্ডেছনে ভাৰতৰ প্ৰায় প্ৰতিখন ৰাজ্যতে  প্ৰতিবন্ধকতাৰ ওপৰত বহুখিনি কাৰ্যপন্থা হাতত লৈছে। বিগত বৰ্ষত ৰঙিয়া ব্লকতো সমুহীয়া মানসিক স্বাস্থ্যৰ অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। আলোচনাচক্ৰত হংস ফাউণ্ডেছনৰ পৰামৰ্শদাতা প্ৰিয়ংকা গোস্বামী, প্ৰকল্প প্ৰৱন্ধক মৌচুমী বৰা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বাংলাদেশত ধৰ্মীয় সংখ্যালঘুৰ ওপৰত নিৰ্যাতন চলোৱাৰ অভিযোগত আজি ৰাজ্যৰ কেইবাখনো জিলাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

ধুবুৰী আৰু বৰপেটা জিলাত লোক জাগৰণ মঞ্চ নামৰ সংগঠনৰ উদ্যোগত প্ৰতিবাদী সমদল উলিওৱা হয়। এই সমদলত অংশগ্ৰহণকাৰীসকলে বাংলাদেশ চৰকাৰে দেশখনৰ সংখ্যালঘু সকলক নিৰাপত্তা প্ৰদানত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। শিৱসাগৰ জিলাতো আজি একেটা সংগঠনৰ উদ্যোগত বৰ্ডিং খেলপথাৰৰ পৰা দৌলমুখ চাৰিআলিলৈকে প্ৰতিবাদী সমদল উলিওৱা হয়।

০০০০০

সমাপ্ত